
# মৌখিক আৰু যুক্তি-বুদ্ধি পৰীক্ষা-২

## দ্বিতীয় শ্ৰেণী



গ্ৰুহিলচ্

# মৌখিক আৰু যুক্তি-বুদ্ধি পৰীক্ষা-২

## দ্বিতীয় শ্ৰেণীৰ বাবে

গ্ৰহিলচ্ পাব্লিশ্বিং লিখক সমিতি

গ্ৰহিলচ্ পাব্লিশ্বিং

কমলপুৰ, বৰপেটা (অসম)

**MAUKHIK AARU YUKTI-BUDDHI PARIKSHYA-II A COMPLEMENTARY TEXT BOOK OF MATHEMATICS & GENERAL KNOWLEDGE FOR CLASS-II** composed by Growhills Publishing Writers Board, edited by GrowhillsPublishing Editorial Board and Published by Growhills Publishing.

*All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted in any form or by any means: electronic, mechanical, photocopying, recording or otherwise.*

This book is especially designed to meet the long-felt demand of private educational institutes of North-east India. The materials have been compiled and edited from various sources. The publisher is not aware of any copyright violations in any form which has been incurred while preparing this book. We are ready to appreciate and take immediate action to rectify and overcome such thing which has occurred unintentionally or unknowingly in any form towards anyone incase it is brought to our notice.

**Interent Editon : 2019**

**Price : Rs ......... /-**

**Published by**
**GREEN HILLS PUBLISHING**
**KAMALPUR, BARPETA (ASSAM)**

# পাঠ্যপুথি প্ৰণয়ন আঁচনিৰ আগকথা

১

সাম্প্ৰতিক কালত আমাৰ দেশত জনসংখ্যা বৃদ্ধিৰ অনুপাতত চৰকাৰী পৃষ্ঠপোষকতাত পৰিচালিত শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি পোৱা নাই। সেয়ে আমাৰ দেশত, বিশেষকৈ আমাৰ অসমত, ব্যক্তিগত উদ্যমত বহুতো বেচৰকাৰী শিক্ষানুষ্ঠান গঢ়ি উঠিছে। কিন্তু চৰকাৰে ব্যক্তিগত উদ্যোগত স্থাপন হোৱা শিক্ষানুষ্ঠানসমূহৰ প্ৰতি পিঠি দি আছে। এক সমীক্ষাৰ পৰা জনা গৈছে যে বৰ্তমান ক্ৰমঃবৰ্ধিত সংখ্যক ল'ৰা-ছোৱালীৰ বাবে প্ৰয়োজন হোৱা পৰ্যাপ্ত চৰকাৰী বিদ্যালয়ৰ অভাৱত অসমৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ ৪৫ শতাংশই ব্যক্তিগত বিদ্যালয়ত নামভৰ্তি কৰিবলৈ বাধ্য হৈছে। আনহাতে বেচৰকাৰী বিদ্যালয়সমূহে বিত্তীয় আৰু উপযুক্ত আন্তঃগাঁথনিৰ অভাৱত ভূগি থকাৰ ওপৰিও সেইবোৰে যি জলন্ত সমস্যাত ভূগি আছে সেয়া হৈছে পাঠ্যপুথিৰ অভাৱ। এয়া দুখৰ বিষয় যে ব্যক্তিগত বিদ্যালয়সমূহত চৰকাৰে কোনো পাঠ্যপুথি যোগান নধৰে। সেয়ে বেচৰকাৰী বিদ্যালয়সমূহে হয় নিজাববীয়াকৈ নাইবা অন্য ৰাজ্যৰ পৰা পাঠ্যপুথি আমদানি কৰিবলগা হৈছে। কিন্তু এনে পাঠ্যক্ৰমত সংহতি আৰু উপযুক্ত মানদণ্ডৰ অভাৱ পৰিলক্ষিত হোৱাত বেচৰকাৰী শিক্ষানুষ্ঠানসমূহে দুৰ্যোগ ভূগি আছে। এই দুৰ্যোগ দূৰ কৰাৰ উদ্দেশ্য লৈ গ্ৰহিলচ্ পাব্লিশ্বিং (প্ৰকাশন উদ্যোগ)ৰ তৰফৰ পৰা বেচৰকাৰী শিক্ষানুষ্ঠানসমূহৰ বাবে পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশৰ বাবে এক দুঃসাহসিক অভিযান আৰম্ভ কৰা হৈছে।

আমাৰ লক্ষ্য হৈছে চৰকাৰী সহায়-সহযোগিতা আৰু পৃষ্ঠপোষকতা নোপোৱা বেচৰকাৰী বিদ্যালয়সমূহৰ বাবে এক সুসংহত, সুপৰিকল্পিত পাঠ্যপুথি প্ৰণয়ন কৰা, প্ৰকাশ কৰা আৰু সুলভ মূল্যত যোগান ধৰা।

আমাৰ আঁচনিৰ সফল ৰূপায়ন কৰাৰ বাবে বহুকেইজন অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰী, অধ্যাপক-অধ্যাপিকাক লৈ আমি 'গ্ৰহিলচ্ পাব্লিশ্বিং পাঠ্যপুথি গৱেষক সমিতি', 'গ্ৰহিলচ্ পাব্লিশ্বিং লিখক সমিতি' আৰু 'গ্ৰহিলচ্ পাব্লিশ্বিং সম্পাদনা সমিতি' নামৰ তিনিখন সমিতি গঠন কৰিছোঁ। ইয়াৰ লগতে আমি সময়ে সময়ে বিশিষ্ট শিক্ষাবিদ,গৱেষক আৰু চিন্তাবিদসকলৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰি আছোঁ।

আমাৰ আঁচনিৰ পাঠ্যপুথি প্ৰণয়ন কৰোতে আমি ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে যুগুতোৱা ৰূপৰেখাৰ আধাৰত প্ৰৱৰ্তন কৰা পাঠ্যপুথিসমূহক আৰ্হি হিচাপে লৈছোঁ যদিও আমি আমাৰ গৱেষক সমিতিয়ে নিজাববীয়াকৈ যুগুতোৱা আৰ্হিও অনুকৰণ কৰিছোঁ।

পাঠ্যপুথি প্ৰস্তুতকৰণৰ সময়ত ৰাজ্যৰ স্থানীয় বৈশিষ্ট্য, পৰিবেশ, পৰম্পৰা, আৰ্থ-সামাজিক ভেটি আদিৰ প্ৰতি দৃষ্টি ৰখা হৈছে। লগতে যুগসাপেক্ষ তথা পৰিবৰ্তিত পৰিস্থিতিৰ কথাও মনত ৰখা হৈছে। ভাষা, শব্দ চয়ন আৰু বানানৰ ক্ষেত্ৰত আমি 'হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰণয়ন কৰা 'চন্দ্ৰকান্ত অভিধান' অনুকৰণ কৰিছোঁ।

২

**মৌখিক আৰু যুক্তি-বুদ্ধি পৰীক্ষা-২** কিতাপখন দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে গণিত বিষয়ৰ পৰিপূৰক হিচাপে প্ৰস্তুত কৰা হৈছে। ল'ৰা-ছোৱালীৰ যুক্তি আৰু বুদ্ধি-জ্ঞানৰ বিকাশ কৰাৰ লক্ষ্যৰে আমি পুথিখনত শিশু মনৰ মনস্তাত্ত্বিক দিশৰ লগত সংগতি ৰাখি বাস্তৱ আৰু শিশুৰ উপযোগী সমস্যাবোৰহে সন্নিবিষ্ট কৰিছোঁ। পুথিখন গণিত বিষয়ৰ পৰিপূৰক হিচাপে প্ৰণয়ন কৰা হোৱা বাবে পুথিখনত কোনো পাঠৰ ব্যাখ্যামূলক আলোচনা কৰা হোৱা নাই। পুথিখন ছাত্ৰ-ছাত্ৰী তথা শিক্ষকসকলে গণিতৰ আখৰা পুথি হিচাপে গ্ৰহণ কৰিব। পুথিখনে ল'ৰা-ছোৱালীহঁতৰ গণিতৰ ওপৰত দখল বৃদ্ধি কৰাৰ লগতে বাস্তৱ সমস্যা দ্ৰুতভাৱে সমাধান কৰাৰ বাবে মনক আৰু মস্তিষ্কক বিকশিত কৰি চিন্তা শক্তিক দ্ৰুততৰ কৰিব বুলি আশা কৰা হৈছে। শিক্ষকে পুথিখন পঢ়াওতে নিজস্ব শিক্ষণ কৌশল প্ৰয়োগ কৰিব। ছাত্ৰ-ছাত্ৰীসকলক অনুশীলনীত দিয়া প্ৰশ্নসমূহৰ উত্তৰ মুখে মুখে উলিয়াবলৈ দিব যদিও আখৰাৰ সময়ত কাগজ-কলমো ব্যৱহাৰ কৰাৰ অনুমতি দিব। বিশেষ মন কৰিবলগীয়া যে এটা প্ৰশ্নৰ উত্তৰ আমি বিভিন্ন উপায়ে উলিয়াব পাৰোঁ যদিও চমু পদ্ধতিত উলিয়াবৰ ওপৰত গুৰুত্ব দিব। পুথিখনত থকা গাণিতিক সমস্যাসমূহ সমাধান কৰোঁতে শিক্ষকে সততে গণিত বিষয়ৰ আনুসঙ্গিক পাঠৰ প্ৰসঙ্গ আলোচনা কৰিব।

আমাৰ আঁচনিত বহুতো পণ্ডিত আৰু গণ্যমান্য সমল ব্যক্তিৰ লগতে কেইবাটাও বেচৰকাৰী সংগঠন (N. G. O.) য়ে পৃষ্ঠপোষকতা, সহযোগিতা আৰু উৎসাহ-উদ্দীপনা আগবঢ়াইছে। তেখেতসকললৈ আমি আমাৰ হিয়াৰ অভ্যন্তৰৰ পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

চেপ্তেম্বৰ, ২০১৬

প্ৰকাশক
গ্ৰহিলচ্ পাব্লিশ্বিং

# আখৰা- ১

১। পিছৰ সংখ্যাবোৰ বহুৱাই খালী ঠাই পূৰণ কৰা।

| | | |
|---|---|---|
| ৩১ ☐ | ৩৫ ☐ | ৩৭ ☐ |
| ৪০ ☐ | ৫২ ☐ | ৫৬ ☐ |
| ৬১ ☐ | ৬৬ ☐ | ৬৮ ☐ |
| ৭১ ☐ | ৭৪ ☐ | ৭৮ ☐ |
| ৮২ ☐ | ৮৬ ☐ | ৮৮ ☐ |
| ৯৩ ☐ | ৯৬ ☐ | ৯৯ ☐ |

২। প্ৰতিটো সংখ্যাৰ আগে পিছে কি সংখ্যা হ'ব লিখা।

| | | |
|---|---|---|
| ☐ ৫১ ☐ | ☐ ৬৩ ☐ | ☐ ৬৯ ☐ |
| ☐ ৭৩ ☐ | ☐ ৭৮ ☐ | ☐ ৮৪ ☐ |
| ☐ ৮৭ ☐ | ☐ ৯৩ ☐ | ☐ ৯৮ ☐ |

৩। তলত দিয়া সংখ্যাবোৰ আখৰেৰে লিখা।

১১, ১৩, ১৫, ২০, ২৩, ২৪, ২৬, ২৭, ২৯, ৩০, ৩২, ৩৪, ৩৬, ৩৯, ৪১, ৪৪, ৪৭, ৪৯, ৫১, ৫৯, ৬১, ৫৩, ৬৫, ৬৭, ৬৮, ৬৯, ৭১, ৭৪, ৭৭, ৭৮, ৮২, ৮৬, ৮৮, ৮৯, ৯১, ৯২, ৯৩, ৯৪, ৯৫, ৯৭, ১০০

৪। অংকেৰে লিখা।

| | | |
|---|---|---|
| এক দহ এক এঘাৰ, | এক দহ পাঁচ পোন্ধৰ, | এক দহ সাত সোতৰ |
| এক দহ ন ঊনৈশ, | দুই দহ তিনি তেইশ, | দুই দহ সাত সাতাইশ |
| তিনি দহ তিনি তেত্ৰিশ | তিনি দহ পাঁচ পয়ত্ৰিশ | তিনি দহ সাত সাতত্ৰিশ |
| তিনি দহ ন ঊনচল্লিশ | চাৰি দহ তিনি তিয়াল্লিশ | চাৰি দহ সাত সাতচল্লিশ |
| চাৰি দহ ন উনপঞ্চাশ | পাঁচ দহ পাঁচ পঁচপন | পাঁচ দহ ন ঊনষাঠি |
| ছয় দহ এক এষষ্ঠি | ছয় দহ তিনি তেষষ্ঠি | ছয় দহ পাঁচ পয়ষষ্ঠি |
| ছয় দহ ন ঊনসত্তৰ | সাত দহ তিনি তেসত্তৰ | সাত দহ ন ঊনাশী |
| আঠ দহ এক একাশী | আঠ দহ তিনি তিৰাশী | আঠ দহ পাঁচ পঁচাশী |
| আঠ দহ সাত সাতাশী | আঠ দহ ন ঊননব্বৈ | ন দহ এক একানব্বৈ |
| ন দহ তিনি তিৰানব্বৈ | ন দহ সাত সাতানব্বৈ | ন দহ ন নিৰানব্বৈ |

৫। তলৰ সংখ্যাবোৰত কিমান দহক আৰু একক আছে আখৰেৰে লিখা।

১০, ১২, ১৪, ২০, ২৩, ২৫, ২৬, ২৮, ২৯, ৩১, ৩২, ৩৩ ৩৪, ৩৫, ৩৮, ৪১, ৪২, ৪৫, ৪৮, ৫১, ৫৬, ৬১, ৬৩, ৬৫, ৬৭, ৬৮, ৭০, ৭১, ৭৩, ৭৭, ৭৮, ৮১, ৮৬, ৮৭, ৮৯, ৯১, ৯২, ৯৩, ৯৪, ৯৬, ৯৬, ৯৯, ১০০


# আখৰা- ২

১। তলত আখৰেৰে লিখা সংখ্যাবোৰৰ লগত অংকেৰে লিখা সংখ্যাবোৰ মিলোৱাঁ।

| | |
|---|---|
| এঘাৰ | ৩৪ |
| সাতাইশ | ৩৯ |
| চৌত্ৰিশ | ১১ |
| ঊনচল্লিশ | ২৭ |
| বিয়াল্লিশ | ৫৫ |
| পঁচপন | ৪২ |
| সাতাৱন | ৭২ |
| তেষষ্ঠি | ৭৭ |
| বাসত্তৰ | ৫৭ |
| সাতসত্তৰ | ৬৩ |
| তিৰাশী | ৯৯ |
| একানব্বৈ | ৮৩ |
| নিৰানব্বৈ | ৯১ |


১। তলত দিয়া গঁড় আৰু ঘোঁৰাৰ গাত থকা সংখ্যাবোৰ কোৰা আৰু সোঁফালে থকা খালী ঠাইবোৰত সংখ্যাবোৰ আখৰেৰে লিখা।

(ক)




১১ ...............................
২১ ...............................
৩১ ...............................
৪১ ...............................
৪৩ ...............................
৪৪ ...............................
৪৫ ...............................
৪৬ ...............................
৪৭ ...............................
৪৯ ...............................
৫০ ...............................

(খ)




৬১ ...............................
৬৩ ...............................
৬৫ ...............................
৬৭ ...............................
৬৯ ...............................
৭০ ...............................
৭১ ...............................
৭২ ...............................
৭৩ ...............................
৮৭ ...............................
৯৫ ...............................

# আখৰা-৩

১। তলৰ সংখ্যাবোৰ সৰুৰ পৰা ডাঙৰলৈ সজোৱা।

| | | | | |
|---|---|---|---|---|
| (ক) | ১০ | ৭ | ৮ | ৫ |
| (খ) | ২০ | ১২ | ১১ | ১৮ |
| (গ) | ২১ | ২৪ | ২৩ | ২৬ |
| (ঘ) | ৩৯ | ৩৬ | ৩৭ | ৩০ |
| (ঙ) | ৪৫ | ৪৩ | ৪০ | ৪২ |
| ( চ) | ৪৮ | ৫০ | ৪৭ | ৪৬ |

২। তলৰ সংখ্যাবোৰ ডাঙৰৰ পৰা সৰুলৈ সজোৱা।

| | | | | |
|---|---|---|---|---|
| (ক) | ৫১ | ৫৪ | ৫২ | ৫৫ |
| (খ) | ৫৭ | ৬১ | ৬৫ | ৬৩ |
| (গ) | ৬৭ | ৬৬ | ৭০ | ৬৮ |
| (ঘ) | ৭১ | ৭৬ | ৭৩ | ৭৪ |
| (ঙ) | ৮২ | ৮১ | ৮৭ | ৮৯ |
| (চ) | ১০০ | ৯৩ | ৯১ | ৯৭ |

# আখৰা- ৪

১। তলত দিয়া সংখ্যাবোৰ কিছুমান নিয়মত আছে। তোমাৰ শিক্ষকৰ সহায়ত নিয়মটো উলিয়াই খালী ঠাই পূৰণ কৰা।

(ক) ২, ৪, ৬, ৮, ১০, ১২, ১৪, ......, ......, .....,

(খ) ২০, ২২, ২৪, ২৬, ২৮, ৩০, ৩২, ......, ......, .....,

(গ) ৩৪, ৩৬, ৩৮, ৪০, ৪২, ৪৪, ৪৬, ......, ......, .....,

(ঘ) ৪৮, ৫০, ৫২, ৫৪, ৫৬, ৫৮, ৬০, ......, ......, .....,

(ঙ) ৮০, ৮২, ৮৪, ৮৬, ৮৮, ৯০, ৯২, ......, ......, .....,

২। তলত দিয়া সংখ্যাবোৰ কিছুমান নিয়মত আছে। তোমাৰ শিক্ষকৰ সহায়ত নিয়মটো উলিয়াই খালী ঠাই পূৰণ কৰা।

(ক) ৩, ৬, ৯, ১২, ১৫, ১৮, ২১, ......, ......, .....,

(খ) ২৪, ২৭, ৩০, ৩৩, ৩৬, ৩৯, ৪২, ......, ......, .....,


(গ) ৪৫, ৪৮, ৫১, ৫৪, ৫৭, ৬০, ৬৩, ......, ......, .....,

(ঘ) ৬৬, ৬৯, ৭২, ৭৫, ৭৮, ৮১, ৮৪, ......, ......, .....,

# আখৰা-৫


১। তলৰ ছবিবোৰ ভালদৰে লক্ষ্য কৰা আৰু ছবিবোৰৰ তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া।

(ক)



প্ৰশ্নঃ ছবিখনত মুঠতে কেইটা চাৰিকোণীয়া আকৃতি আছে?

(খ)




প্ৰশ্নঃ তলৰ ছবিখনত মুঠতে কেইটা চাৰিকোণীয়া আকৃতি আৰু কেইটা বৃত্ত আছে?

# আখৰা-৬


১। তলত কিছুমান চিত্র (আকৃতি) দিয়া হৈছে। ক্রম অনুসৰি চতুর্থ চিত্র (আকৃতি) টো অংকন কৰা।

(ক)




১ম　　২য়　　৩য়　　৪র্থ

(খ)



১ম　　২য়　　৩য়　　৪র্থ

(গ)




১ম　　২য়　　৩য়　　৪র্থ


# আখৰা- ৭

১। তলৰ  বলৰ ছবিবোৰ লক্ষ্য কৰি কোনটো শাৰীত কেইটা বল আছে লিখা।

(ক)



২। তলত বল, অমিতা, আপেল, কঁঠাল আৰু মাটিকঁঠালৰ ছবি আছে। কোনটো ছবি কিমানবাৰ আছে গণনা কৰি কোৰা।



# আখৰা-৮

১। খালী ঠাই পূৰণ কৰা।

| | |
|---|---|
| (ক) ১০ + ৪ = ☐ | (খ) ১৩ + ৪ = ☐ |
| (গ) ১১ + ০ = ☐ | (ঘ) ১৭ + ৫ = ☐ |
| (ঙ) ১১ + ১৭ = ☐ | (চ) ১২ + ১০ = ☐ |
| (ছ) ১৬ + ৬ = ☐ | (জ) ৯+ ১৭ = ☐ |
| (ঝ) ১৯ + ১০ = ☐ | (ঞ) ২০ + ১২ = ☐ |
| (ছ) ১৯ + ৯ = ☐ | (জ) ১৯ + ৭ = ☐ |
| (ঝ) ১১ + ১৮ = ☐ | (ঞ) ১৯ + ১৯ = ☐ |
| (ছ) ১৬ + ৯ = ☐ | (জ) ১৪ + ৪ = ☐ |
| (ঝ) ১৫ + ৩০ = ☐ | (ঞ) ১৩ + ২২ = ☐ |

# আখৰা- ৯

১। বিয়োগ কৰা।

| | |
|---|---|
| (ক) ১০ — ১ = ......... | (খ) ১৩ — ৩ = ......... |
| (গ) ১৩ — ২ = .......... | (ঘ) ১৫ — ৫ = ......... |
| (ঙ) ১২ — ১২ = ......... | (চ) ১৬ — ২ = ......... |
| (ছ) ১৪ — ৩ = ........... | (জ) ১৮ — ৪ = ......... |
| (ঝ) ১২ — ২ = ......... | (ঞ) ১৪ — ৩ = ......... |
| (ট) ১৩ — ১ = .......... | (ঠ) ১৫ — ১ = ......... |
| (ড) ১২ — ৩ = ........... | (ঢ) ১০ — ৪ = ......... |
| (ণ) ১১ — ৩ = ........... | (ত) ১৬ — ৩ = .......... |
| (থ) ১৪ — ২ = ......... | (দ) ১৭ — ৫ = ......... |
| (ধ) ১৮ — ১ = .......... | (ন) ১৫ — ৭ = ......... |

# আখৰা- ১০

১। তলৰ বাকচত দিয়া সংখ্যাবোৰৰ লগত ৩ যোগ কৰি তলৰ ঘৰবোৰত বহুওৱা।

| ১৩ | ১৫ | ১৭ | ২৩ | ১৭ | ৩০ |
|---|---|---|---|---|---|
| | | | | | |

২। তলৰ বাকচত দিয়া সংখ্যাবোৰৰ পৰা ৪ বিয়োগ কৰি তলৰ ঘৰবোৰত বহুওৱা।

| ১৪ | ১৭ | ১৯ | ২৬ | ৩৫ | ৪১ |
|---|---|---|---|---|---|
| | | | | | |

৩। তলৰ ছবিবোৰ চোৱা আৰু খালী ঘৰত উপযুক্ত সংখ্যা বহুওৱা।

(ক)

৪   ৫   ( )   ৭   ( )

(খ)

১১   ( )   ১৩   ১৪   ( )

(গ)

( )   ২২   ( )   ২৪   ( )

# আখৰা- ১১

১। তলৰ  অংকবোৰ লক্ষ্য কৰা আৰু প্ৰশ্নবোৰৰ উত্তৰ দিয়া।

১ ২ ৪ ৩ ৭ ৫ ৬ ৯ ৮ ৩ ২ ১ ৬ ৭ ৫ ৩ ৮ ৭ ৩

(ক) ওপৰত দিয়া অংকৰ শাৰীটোত মাজত থকা সংখ্যাটো কি?

(খ) শাৰীটোৰ সোঁফালৰ পৰা ১৫ নম্বৰ স্থানত কোন অংকটো আছে?

(গ) বাওঁফালৰ পৰা ১২ নং স্থানত থকা সংখ্যাটো কি?

(ঘ) শাৰীটোত ০ সংখ্যাটো আছে নে?

(ঙ) শাৰীটোত ৩ সংখ্যাটো কেইবাৰ আছে?

(চ) সোঁফালৰ পৰা ষষ্ঠ স্থানত থকা সংখ্যাৰ আগৰ সংখ্যাটো কি?

(ছ) শাৰীটোত ১ সংখ্যাটো কেইবাৰ আছে?

(জ) শাৰীটোত থকা ঊনৈশতম সংখ্যাটো কি?

(ঝ) বাওঁফালৰ পৰা ১২ তম সংখ্যাটো কি?

(ঞ) শাৰীটোত ৮ সংখ্যাটো কেইবাৰ আছে?

(ট) বাওঁফালৰ পৰা তৃতীয় স্থানত থকা সংখ্যাটো কি?

(ঠ) শাৰীটোত ৫ সংখ্যাটো কেইবাৰ আছে?

(ড) শাৰীটোত সোঁফালৰ পৰা প্ৰথম তিনিটা সংখ্যাৰ যোগফল কি?

(ঢ) শাৰীটোৰ বাওঁফালৰ পৰা প্ৰথম চাৰিটা সংখ্যাৰ যোগফল কি?

(ণ) শাৰীটোৰ পঞ্চম স্থানত থকা সংখ্যাটোৰ পৰা ষষ্ঠ স্থানত থকা সংখ্যাটো বিয়োগ কৰা।

(ত) শাৰীটোত নৱম স্থানত থকা সংখ্যাটো কি?

(থ) শাৰীটোত আটাইতকৈ ডাঙৰ মানৰ অংকটো কি?

(দ) শাৰীটোৰ একাদশ স্থানত থকা অংকটোৰ লগত ষোল্লতম অংকটো যোগ কৰা।

(ধ) শাৰীটোত ৬ সংখ্যাটো কেইবাৰ আছে? সংখ্যাকেইটা যোগ কৰা।

# আখৰা- ১২

১। খালী ঠাইত কি সংখ্যা হ'ব লিখা।

(ক) ৩ + ____ = ১০

(খ) ৪ + ____ = ১২

(গ) ৫ + ____ = ১১

(ঘ) ৬ + ____ = ৭

(ঙ) ৫ + ____ = ৮

(চ) ৯ + ____ = ৯

(ছ) ১ + ____ = ১৪

(জ) ১৪+ ____ = ১৬

(ঝ) ৭ + ____ = ৮

(ঞ) ৮ + ____ = ১৯

(ট) ২০+ ____ = ২২

(ঠ) ৪ + ____ = ১২

২। খালী ঠাইত উপযুক্ত সংখ্যা বহুওৱা।

(ক) ৫ - ____ = ৩

(ক) ১০ - ____ = ৫

(ক) ৮ - ____ = ৫

(ক) ৯ - ____ = ৯

(ক) ১২ - ____ = ৭

(ক) ১০ - ____ = ৫

(ক) ১১ - ____ = ৬

(ক) ১৫ - ____ = ১২

(ক) ১৭ - ____ = ১০

(ক) ১০ - ____ = ১

# আখৰা- ১৩

১। তলৰ প্ৰশ্নবোৰ পঢ়ি উত্তৰ দিয়া।

(ক) যোৱাকালি ৰামক দেউতাই ৫০ টকা আৰু মাকে ৫০ টকা দিলে। মুঠতে তেওঁৰ কিমান টকা হ'ল?

(খ) ১২ ত কৈ ৫ ডাঙৰ সংখ্যাটো কি?

(গ) ১২, ০৫ আৰু ১১ ৰ যোগফল কি?

(গ) ৪০ সংখ্যাটোত দহক কেইটা আছে?

(ঘ) ৫০ ত কৈ ৭ কম সংখ্যাটো কি?

(ঙ) তোমাৰ শ্ৰেণীত ১০০ জন ছাত্ৰ-ছাত্ৰী আছে। ইয়াৰ ৬৫ জনী ছাত্ৰী হ'লে ছাত্ৰৰ সংখ্যা কিমান?

(চ) ৮০ ৰ লগত কিমান যোগ কৰিলে ৯৯ হ'ব?

(ছ) এটা ঘোঁৰাৰ দুটা কাণ থাকিলে ১১ টা ঘোঁৰাৰ কেইটা কাণ থাকিব?

(জ) ৪ খন চাৰিচকীয়া বাহন আৰু ৪ খন দুচকীয়া বাহনৰ মুঠ চকাৰ সংখ্যা কেইটা?

(ঞ) ৪০ ৰ লগত কিমান যোগ কৰিলে ৮৮ হ'ব?

২। উত্তৰ দিয়া।

(ক) তোমাৰ হাতত ৩৫ টকা আছে। তাৰ পৰা তুমি তোমাৰ ভন্টিক ১০ টকা দিলা। তোমাৰ হাতত কেই টকা থাকিল?

(খ) ৰাজেনৰ দেউতাকে ৰাতিপুৱা তেওঁক ১০০ টকা দি বজাৰলৈ পঠালে। ৰাজেনে কিতাপ কিনাত খৰচ কৰিলে ৪৫ টকা, পিয়াঁজ কিনিলে ৩০ টকাৰ আৰু গাড়ী ভাড়া দিলে ১০ টকা। তেওঁৰ হাতত কেই টকা ৰাহি থাকিল?

(গ) এজন ভিক্ষাৰীয়ে গোটেই দিন ভিক্ষা মাগি ৭৯ টকা পালে। তাৰ পৰা তেওঁ ২ কিলোগ্ৰাম চাউল কিনিলে। প্ৰতি কিলোগ্ৰাম চাউলৰ দাম ২৫ টকা। এতিয়া তেওঁৰ হাতত কিমান টকা থাকিল?

# আখৰা- ১৪

১। সামাধান কৰা।

(ক) ১ × ৩ = ................ (খ) ২ × ৩ = ...............

(গ) ২ × ২ = ............... (ঘ) ৩ × ৩ = ..............

(ঙ) ৪ × ২ = ............... (চ) ৪ × ৪ = ...............

(ছ) ৫ × ২ = ............... (জ) ৫ × ৪ = ...............

(ঝ) ৫ × ৩ = ............... (ঞ) ৬ × ৬ = ...............

(ট) ০ × ১০ = ............. (ঠ) ৫ × ১০ = ............

২। ৪ ক পাঁচবাৰ যোগ কৰিলে কিমান হ'ব?

৩। ৭ ক ৬ বাৰ যোগ কৰিলে কিমান হ'ব?

৪। ৫ ক কেইবাৰ যোগ কৰিলে ৩৫পাম?

৫। ৯০ ত ১০ কেইবাৰ আছে?

৬। ৪ ক কিহেৰে পূৰণ কৰিলে ২০ পাম?

৭। ১০ টা আপেল সমানে দুই ভাগ কৰিলে প্ৰতি ভাগত কেইটাকৈ পৰিব?

৮। তোমাৰ হাতত ২৫ টা চকলেট আছে? চকলেট কেইটা তুমি পাঁচজনৰ লগত ভগাই খালা। প্ৰতিজনৰ ভাগত কেইটা পৰিল?


৯। ১৫ টা বগৰী অনিমাই পোন্ধৰজনী ছোৱালীৰ মাজত ভগাই দিলে। প্ৰতিজনীয়ে কেইটাকৈ পালে?

১০। এটা কণীৰ দাম ১.৫০ টকা হ'লে ৫ টা কণীৰ দাম কিমান?

১১। ৯ৰ লগত ৯ পূৰণ কৰিলে কিমান হ'ব?

# আখৰা- ১৫

১। ১২ টা আপেলৰ ছবিক ৩ টাকৈ কেইটা ভাগত ভাগ কৰিব পাৰি?



২। খালী ঠাই পূৰণ কৰা।

(ক) ২ ÷ ২ = ☐ (খ) ৪ ÷ ২ = ☐

(গ) ১০ ÷ ২ = ☐ (ঘ) ৬ ÷ ২ = ☐

(ঙ) ৯ ÷ ৩ = ☐ (চ) ১২ ÷ ২ = ☐

(ছ) ১৪ ÷ ৭ = ☐ (জ) ১৬ ÷ ৪ = ☐

(ঝ) ১২ ÷ ৪ = ☐ (ঞ) ১৮ ÷ ৬ = ☐

৩। ৰাজেনৰ হাতত ২০ টা মাৰ্বল আছে। মাৰ্বল কেইটা ৫ টাকৈ কেইজনক ভগাই দিব পাৰিব?

৪। এখন মোনাত ৭ টাকৈ আম ভৰালে ৪৯ টা আম ভৰাবলৈ কিমানটা মোনা লাগিব?


৫। ৮ খন গাড়ীৰ মুঠ ৩২ টা চকা হ'লে এখন গাড়ীৰ চকা কেইটা হ'ব?

৬। এখন কিতাপত মুঠ ১০০ পৃষ্ঠা আছে। তুমি ৩৫ টা পৃষ্ঠা পঢ়িলা। তোমাৰ কিমান পৃষ্ঠা পঢ়িবলৈ বাকী থাকিল?


# আখৰা- ১৬


১। তলৰ চিত্ৰবোৰ কিমান ভাগৰ কিমান অংশ ছাঁৰে আবৃত ভগ্নাংশত প্ৰকাশ কৰা।

(ক)




(ক)





২। তলৰ চিত্ৰবোৰ গণনা কৰি তাৰে কেইটা ছাঁৰে আবৃত ভগ্নাংশত প্ৰকাশ কৰা।



# আখৰা- ১৭

১। উত্তৰ দিয়া।

(ক) ২ টকাত কিমান পইচা?

(খ) ৫০০ পইচাত কিমান টকা?

(গ) ৭ টকা ৯৫ পইচা টকাত প্ৰকাশ কৰা।

(ঘ) ১২০০ পইচা টকাত প্ৰকাশ কৰা।

(ঙ) ১৩ টকা ৫০ পইচা আৰু ৩ টকা ২৫ পইচাত কিমান টকা ?

(চ) ১০০ টকাত কেইখন ১০ টকীয়া নোট আছে?

(ছ) ২০০ টকা হ'বলৈ কেইখন ২০ টকীয়া নোট লাগিব?

(জ) ৭ খন পাঁচ টকীয়া নোট একেলগ কৰিলে কিমান টকা হ'ব?

২। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ তোমাৰ শিক্ষকৰ পৰা জানি লোৱা।

(ক) এক ঘন্টাত কিমান মিনিট?

(খ) এক মিনিটত কিমান চেকেণ্ড?

(গ) এক দিনত কিমান ঘন্টা?

(ঘ) 'লিপ ইয়েৰ' (অধিবৰ্ষ) কাক কয়?

(ঙ) ইংৰাজী বছৰৰ কোন কোন মাহ ৩১ দিনীয়া?

(চ) ইংৰাজী বছৰৰ কোন কোন মাহ ৩০ দিনীয়া?

(ছ) এক সপ্তাহত কেইদিন?

(জ) কিমান দিনত এক মাহ ?

(ঝ) এক বছৰত কেইদিন?

(ঞ) কেইদিনত এক পক্ষ হয়?

(ট) ৫ সপ্তাহ আৰু ৩ দিনত কেইদিন হয়?

(ঠ) এক বছৰ সাত মাহত কিমান মাহ হয়?

(ড) ফেব্ৰুৱাৰী মাহটো সাধাৰণতে কেইদিনীয়া হয়?

(ঢ) প্ৰতিদিনে ১০ টাকৈ অংক কৰিলে এক সপ্তাহত কেইটা কৰিব পাৰিবা?

# আখৰা- ১৮

১। খালী ঠাই পূৰণ কৰা।

(ক) এটা শংকুৰ ............. খন পিঠি আছে।

(খ) এটা বৰ্তুলৰ ................ খন তল আছে?


(গ) এটা আয়তীয় ঘনৰ পিঠি .................... খন।

(ঘ) এটা শংকুৰ শীৰ্ষ বিন্দু ............... টা।

(ঙ) এটা গোলকৰ ................. খন পিঠি আছে।

(চ) আয়ত আৰু বৰ্গক্ষেত্ৰৰ .................. টাকৈ বাহু আছে।

২। তলৰ চিত্ৰবোৰ চাই সেইবোৰৰ নাম কোৱা।



৩। উত্তৰ দিয়া।

(ক) আয়তক্ষেত্ৰ কাক বোলে?

(খ) বৰ্গক্ষেত্ৰ কাক বোলে?

(গ) শংকু কাক বোলে?